সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৮ বছৰৰ এক অবিৰত যাত্ৰা...

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৮ বছৰ, ৪৮ সংখ্যা, ১৮ আঘোণ , ৰবিবাৰ, ১৪২৭ ভাস্কৰাব্দ, পঞ্জীয়ন নং ৫৩৮৮৩ / ৯৪

RNI No. 53883/94. GHY--781025. Vol. 28: Issue No. 48 * Date Of Publication - 5 December 2021 Rs.5.00/-

## অসমৰ ৰাজভৱনত দেশৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদৰ প্ৰতিমূৰ্তি উন্মোচন



ৰঙিলী বাৰ্ত্তাসেৱা- দেশৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি ভাৰতৰত্ন প্ৰয়াত ড° ৰাজেন্দ্ৰ প্ৰসাদৰ ১৩৭সংখ্যক জন্মজয়ন্তী উপলক্ষে ৰাজভৱনত ৰাজ্যপাল জগদীশ মুখী আৰু মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজভৱন চৌহদত প্ৰতিমূৰ্তি উন্মোচন কৰে। আয়োজিত এই অনুষ্ঠানত প্ৰতিমূৰ্তিটো উন্মোচন কৰি ৰাজ্যপালে ভাৰতৰ স্বাধীনতা সংগ্ৰাম আৰু সংবিধান প্ৰস্তুত কৰাত ড° ৰাজেন্দ্ৰ প্ৰসাদৰ গুৰুত্বপূৰ্ণ ভূমিকা বৰ্ণনা কৰে। তেওঁ লগতে কয় যে তেওঁ এই মহান ৰাষ্ট্ৰৰ প্ৰতিজন নাগৰিকৰ বাবে অনুপ্ৰেৰণাৰ উৎস আৰু ৰাষ্ট্ৰ নিৰ্মাণত তেওঁৰ বিশিষ্ট অৱদান, তেওঁৰ আইনী কুশলতা আৰু গণতন্ত্ৰৰ ক্ষেত্ৰত তেওঁৰ মহৎ আদৰ্শই দেশবাসীক অনুপ্ৰাণিত কৰি থাকিব। তেওঁ আৰু কৈছিল যে তেওঁ এজন আদৰ্শ নেতা আছিল আৰু বহুতো নেতাৰ বাবে অনুপ্ৰেৰণা। তেওঁৰ নম্ৰতা আৰু পাণ্ডিত্য সদায় যুৱ প্ৰজন্মৰ বাবে অনুপ্ৰেৰণা হৈ থাকিব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অনুষ্ঠানটোত ভাষণ প্ৰদান কৰি কয় যে তেওঁ এই গুৰুত্বপূৰ্ণ কাৰ্যসূচীলৈ আহি আনন্দিত হৈছে কিয়নো আধুনিক ভাৰতৰ সৰ্বশ্ৰেষ্ঠ স্থপতি ড° প্ৰসাদৰ প্ৰতি এয়া এক উপযুক্ত শ্ৰদ্ধাঞ্জলি। তেওঁ প্ৰকাশ কৰে যে ২০১৪ চনৰ পিছত চৰকাৰে ভাৰতীয় স্বাধীনতা সংগ্ৰামৰ সময়ত যিকোনো প্ৰকাৰে বিস্মৃতিত পৰিণত হোৱা সকলো স্বাধীনতা সংগ্ৰামীৰ প্ৰচেষ্টা প্ৰতিষ্ঠা কৰিবলৈ যথেষ্ট চেষ্টা কৰি আছে। তেওঁ কয় যে ৰাজভৱনত প্ৰতিমূৰ্তিস্থাপন কৰাটো এক মহৎ পদক্ষেপ, যাৰ জৰিয়তে পৰৱৰ্তী কালত প্ৰকৃত নায়কৰ বিষয়ে শিকিব পাৰি। তেওঁ লগতে কয় যে ড° প্ৰসাদ এজন পাণ্ডিত্যপূৰ্ণ পণ্ডিত আছিল, যাৰ আইন আৰু গণতন্ত্ৰৰ জ্ঞানে ভাৰতক সৰ্বকালৰ এক বিস্তৃত সংবিধান লাভ কৰিবলৈ অনুপ্ৰেৰিত কৰে।

## চাকৰি আৰু শিক্ষানুষ্ঠানসমূহত দিব্যাংগৰ বাবে সংৰক্ষিত আসনৰ সংখ্যা চাৰি শতাংশলৈ বৃদ্ধি

ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্য চৰকাৰৰ সমাজ কল্যাণ বিভাগে এলিমকো আৰু কামৰূপ জিলা প্ৰশাসনৰ সহযোগত আমিনগাঁওস্থিত কুমাৰ ভাস্কৰ বৰ্মন ক্ষেত্ৰত আয়োজন কৰা বিশ্ব দিব্যাংগ দিৱসত বিশেষভাৱে সক্ষম লোকসকলৰ আৰ্থ-সামাজিক তথা শৈক্ষিক সবলীকৰণ যাতে দ্ৰুত হয়, সেই উদ্দেশ্যে সামাজিক ন্যায় আৰু



( পাঁচপৃষ্ঠাত চাওক)

## সম্পাদকীয়ঃ গণ-উন্মাদনা



গণ উন্মাদনা...সাম্প্ৰতিক এক ভয়ংকৰ শব্দ। আমি আমাৰ থাপনাৰ বন্তি গছি নুমালে চিন্তা কৰো কিন্তু কোনোৱে কাৰোৱাৰ জীৱনৰ বন্তি গছি নুমাবলৈও কুণ্ঠাবোধ নকৰে। এইটো জীৱনত আৰু কিমান কি দেখিবলৈ পাম ! ঝংকাৰ শইকীয়াৰ পৰা অনিমেষ ভূএঞালৈকে কিমানৰ নাম যে অন্তৰ্ভুক্ত হ'ল...তথাপিও কিন্তু এচাম ঠিক নহ'ল। জীৱ শ্ৰেষ্ঠ বুলি অহংকাৰত গদ গদাই থকা মানুহৰ মাজতে আজি দেখোন দানৱৰ হুংকাৰ। চাৰিওফালে কেৱল অনিয়ম, দুৰ্নীতিৰ, অনাচাৰ, ভ্ৰষ্টাচাৰ, বলাৎকাৰ, গণ-উন্মাদনা... । এইয়াই নেকি একবিংশ শতিকাৰ কাহিনী। এটি সন্তানে মাতৃৰ গৰ্ভত স্থিতি লোৱাৰ পৰাই মাতৃ গৰাকীৰ সেই সন্তানটোক লৈ ক'ত যে আশা। কিন্তু পৰবৰ্তী সময়ত সেই সন্তানে যদি অন্য এগৰাকী মাতৃৰ বুকু উদং কৰি পেলাই। তেনে সন্তান কাৰো কাম্য নহয়। এনে সন্তান সভ্য সমাজৰ কলংক ।আশ্চৰ্যকৰ বিষয় এয়ে যে ২০১৩ চনৰ ১৫ জুনৰ পৰা ৩০ নবেম্বৰ ২০২১ চনলৈকে ৮ জনে প্ৰাণ হেৰুৱাইছে। প্ৰতিটো খবৰে আমাৰ অন্তৰ আত্মা কঁপাই তোলে। ঠিক সেইদৰেই অন্তৰ আত্মা কঁপি গ'ল মাত্ৰ ৩০টা বসন্ত পাৰ কৰা হাঁহিমুখীয়া ল'ৰাটোৰ খবৰটো পায়। যোৰহাট জুৰণিৰ ঠাই তাৰ লগতে শৈক্ষিক নগৰী আৰু লগতে সাংস্কৃতিক নগৰীও। তেনে এখন ঠাইত ২০১৯ চনত এজন ডাক্তৰ, ২০২০ চনত আৰু এজন যুৱক আৰু শেহতীয়াকৈ অনিমেষ গণ-উন্মাদনাৰ বলি হ'ব লগীয়া হ'ল। আজি নিজকে যোৰহটীয়া বুলি ক'বলৈ লজ্জাবোধ কৰিছো। যিখন যোৰহাটক লৈ গৌৰৱবোধ কৰি আমাৰ যোৰহাট বুলি কওঁ। আজি দেখোন যোৰহাট নামটো উচ্চাৰণ কৰিবলৈ মনটোক সন্মত কৰিব পৰা নাই। কাৰণ সেই নৰপিশাচ কেইটাই যেতিয়া মাৰি মাৰি তাৰ হাড় ভাঙি দিছিল, তামোলৰ ঢকুৱা চোচৰোৱাৰ দৰে তাক টানি নিছিল, তেতিয়া একাংশ যোৰহটীয়াই কেৱল মাত্ৰ উপভোগহে কৰিছিল আৰু একাংশই ভিডিঅ' কৰিছিল। এনে মানসিকতা থকা মানুহকেইজন মই শৈক্ষিক নগৰীৰ স্থায়ী বাসিন্দা বুলি মানি ল'বলৈ কুণ্ঠাবোধ কৰিছো। আমাৰ সমাজ বিজ্ঞানী সকলৰ মতে যুৱক-যুৱতীসকলৰ প্ৰধান সমস্যা হ'ল মানসিক অস্থিৰতা। মই ভাৱো এই মানসিক অস্থিৰতাৰ কাৰণ হৈছে নিচাযুক্ত দ্ৰব্য সেৱন, উচ্ছৃঙ্খল জীৱন যাপন, খোৱা বোৱাৰ অনিয়ম ইত্যাদি। কিন্তু এতিয়া ইয়াৰ প্ৰশ্ন হ'ল এইবোৰ পৰা সন্তানক কেনেকৈ আঁতৰাই ৰাখিব পাৰি ? ইয়াৰ চাবি কোচা আছে আমাৰ অভিভাৱক সকলৰ হাতত। মোৰ আগৰ কেইবাটাও লিখনিত লিখিছো আৰু আজিও লিখিছো, সন্তানক আধ্যাত্মিকতা শিকাওক, যি সন্তানে নেদেখাজনক ভয় কৰে, সেই সন্তানে কেতিয়াও বেয়া কাম নকৰে বুলি মোৰ দৃঢ় বিশ্বাস। নৈতিকতাৰ প্ৰকৃত মূল্যায়নৰ পাঠ শিকাওক। শেষত অসম পুলিচলৈ ধন্যবাদ জ্ঞাপন কৰিলো ক'লা ল'ৰাৰ ক'লা অধ্যায়ৰ সামৰণি মৰাৰ বাবে..কিন্তু চিৰদিন দুখ থাকি যাব হাঁহিমুখীয়া বগা ল'ৰাটোৰ জীৱনৰ বন্তি গছি ইমান সোনকালে নুমাই যোৱাৰ বাবে, শেষত অনিমেষৰ আত্মাই চিৰশান্তি লাভ কৰক...

# কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সাণোৱালে নাবিকসকলৰ বাবে দূৰৱৰ্তী দক্ষতা পৰীক্ষাৰ শুভাৰম্ভ কৰে

ৰঙিলী বাৰ্ত্তাসেৱা- কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ তথা কেন্দ্ৰীয় আয়ুষ মন্ত্ৰী সৰ্বানন্দ সাণোৱালে কয় যে, কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় নাবিকসকলৰ মানদণ্ড উন্নত কৰিবলৈ আৰু তেওঁলাকেৰ জীৱন আৰামদায়ক কৰি তুলিবলৈ অহৰহ চেষ্টা চলাই আছে। নতুন দিল্লীত "নাবিক জীৱন"ৰ মুকলি আৰু ভিচি মুডৰ জৰিয়তে অনলাইন দক্ষতা আধাৰিত পৰীক্ষাৰ শুভাৰম্ভণি অনুষ্ঠানত ভাষণ প্ৰদান কৰি তেওঁ ভাৰতীয় নাবিকসকলক আমাৰ ৰাষ্ট্ৰদূত হিচাপে অভিহিত কৰে আৰু জাহাজ তথা বন্দৰ নাবিক প্ৰশিক্ষণৰ বিকাশৰ বাবে কাম কৰাৰ আশ্বাস দিয়ে। সামুদ্ৰিক খণ্ডত ভাৰতে বিশ্বনেতা হিচাপে আত্মপ্ৰকাশ কৰিছে বুলি তেওঁ উল্লেখ কৰে।প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মাদীয়ে ২০২১ চনৰ মাৰ্চ মাহত আৰম্ভ কৰা মেৰিটাইম ইণ্ডিয়া ভিজন ২০৩০ৰ কথা সাণোৱালে উল্লেখ কৰে আৰু কয়, "ভাৰত হৈছে সৰ্ববৃহৎ নাবিক যাগোন ধৰা ৰাষ্ট্ৰসমূহৰ ভিতৰত অন্যতম আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত আমাৰ নাবিকসকলৰ যথেষ্ট চাহিদা আছে।" তেওঁ



লগতে কয়, "নাবিক জীৱন'- ভাৰতীয় নাবিক আৰু প্ৰি ছী (Pre-sea) শিক্ষাৰ্থীসকলৰ জীৱনৰ ওপৰত কৰা এক সমীক্ষা আৰু ই হৈছে ভাৰতীয় নাবিক আৰু তেওঁলাকেৰ সমস্যাবোৰ অনুধাৱন কৰাৰ এক আন্তৰিক প্ৰয়াস।" তেওঁ আশা ব্যক্ত কৰে যে, অংশীদাৰ সকলে এই সমস্যাবোৰ সমাধান কৰাৰ বাবে উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব। মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে যে, জাহাজ পৰিবহণ সঞ্চালকালয়ে তিনিটা স্তৰৰ প্ৰণালী প্ৰৱৰ্তনকে ধৰি সক্ৰিয় আৰু অভিনৱ পদক্ষেপ গ্ৰহণ কৰিছে যাৰ ভিতৰত আছে ই-লাৰ্ণিং, ভাচুৱেল শ্ৰেণী, অন-লাইন ভিডিঅ' অনুষ্ঠান, অন-লাইন প্ৰস্থান পৰীক্ষা আৰু ডিজিটেল পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ প্ৰমাণপত্ৰ প্ৰৱৰ্তন। এতিয়া সেই প্ৰচেষ্টাৰ ধাৰাবাহিকতাত দক্ষতা পৰীক্ষাৰ অনলাইন প্ৰমাণপত্ৰ মুকলি কৰি, ইয়াৰ প্ৰথম ডিজিটেল ৰিম'ট প্ৰক্টৰিং প্ৰণালীৰ জৰিয়তে নাবিকসকলৰ বাবে লিখিত পৰীক্ষা অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত এক অগ্ৰণী পদক্ষেপ লাৱো হৈছে। তেওঁ কয়, "আমি ভাৰতীয় জাহাজ আৰু নাবিকসকলৰ বিকাশৰ ক্ষেত্ৰত এক নতুন পথ নিৰ্দিষ্ট কৰিছোঁ। ভাৰত কাৰ্যকৰী, দক্ষ, দায়িত্বশীল আৰু প্ৰগতিশীল সামুদ্ৰিক ৰাষ্ট্ৰ হিচাপে বিশ্বব্যাপী স্বীকৃত হাৱোৰ আমাৰ দৃষ্টিভংগীৰ সৈতে এই প্ৰচেষ্টা সামঞ্জস্যপূৰ্ণ।

# অহা ডেৰ মাহত মথাউৰি পকীকৰণৰ কাম আৰম্ভ কৰিব পৰা যাব: জলসম্পদ মন্ত্ৰী পীযুষ হাজৰীকা



ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰৰ জলসম্পদ বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকাই জালুকবাৰী সমষ্টিৰ অন্তৰ্গত পাণ্ডু আৰু লেঙা অঞ্চল ভ্ৰমণ কৰি বিভাগীয় কামৰ বুজ লয়। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত মন্ত্ৰীগৰাকীয়ে বিভাগীয় বিষয়াসকলক লগত লৈ পাণ্ডুঘাটৰ ওচৰত নিৰ্মীয়মান এখন শ্লুইচ গেট আৰু লেঙা অঞ্চলৰ নদী খহনীয়াৰ বুজ লয় আৰু অঞ্চল দুটাৰ জনসাধাৰণক অতি শীঘ্ৰে প্ৰয়োজনীয় কাম আৰম্ভ কৰা হ'ব বুলি প্ৰতিশ্ৰুতি দিয়ে। আনহাতে লেঙাত মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ সৈতে হোৱা কথাবতৰাত এগৰাকী সাংবাদিকে মথাউৰি তথা পকীপথৰ বিষয়ে সোধা এক প্ৰশ্নৰ উত্তৰত জানিবলৈ দিয়ে যে অহা ডেৰ মাহৰ ভিতৰত মথাউৰি পকীকৰণৰ কাম আৰম্ভ কৰিব পৰা যাব বুলি তেওঁ আশাবাদী। এই বৰ্ষত প্ৰায় ৭০০ কিল'মিটাৰ মথাউৰি পকীকৰণ আৰু প্ৰায় ৩০০ কিল'মিটাৰ নতুন মথাউৰি নিৰ্মাণ কৰা হ'ব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে চৰকাৰৰ অহা চাৰে চাৰি বছৰীয়া কাৰ্যকালত অসমৰ বানপানীৰ সমস্যা বহু পৰিমাণে নিয়ন্ত্ৰণ কৰিব পৰা যাব। মুখ্যমন্ত্ৰী সদিচ্ছা তথা বিভাগীয় বিষয়া কৰ্মচাৰীৰ প্ৰচেষ্টাৰ বাবে আগন্তুক সময়ত অসমৰ বানপানীৰ সমস্যা অন্ততঃ ৮০ শতাংশ পৰ্যন্ত নাইকীয়া কৰিব পৰা যাব বুলিও মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে।

# কৃষকসকলৰ উপাৰ্জন বৃদ্ধিৰ বাবে চৰকাৰৰ ভালেমান পদক্ষেপ গ্ৰহণ ঃ কৃষি মন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰ



ৰঙিলী বাৰ্ত্তাসেৱা- কৃষি মন্ত্ৰী নৰেন্দ্ৰ সিং টোমৰে কৈছে যে দেশৰ কৃষকসকলৰ উপাৰ্জন বৃদ্ধিৰ বাবে চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্যসভাত এটা লিখিত প্ৰশ্নৰ উত্তৰত মন্ত্ৰীগৰাকীয়ে কয় যে কৃষকসকলৰ উৎপাদনৰ লাভ সুনিশ্চিত কৰা আৰু অধিক বিনিয়োগ তথা উৎপাদনত উৎসাহিত কৰাৰ বাবে ন্যূনতম সমৰ্থন মূল্য ঘোষণা কৰা হৈছে। তেওঁ কৈছে যে ২০২০-২১ খাৰিফ বিপণন বৰ্ষত ন্যূনতম সমৰ্থন মূল্যত ৮৯৪ লাখ মেট্ৰিক টনৰো অধিক ধান ক্ৰয় কৰা হৈছে। যাৰ ফলত দেশৰ ১ কোটি ৩১ লাখ কৃষক উপকৃত হৈছে। কৃষিমন্ত্ৰীগৰাকীয়ে কৈছে যে ২০২১-২২ ৰবি বিপণন বৰ্ষৰ বাবে ৪৩৩ লাখ মেট্ৰিক টনৰো অধিক ঘেহু ক্ৰয় কৰা হৈছে। ইয়াৰ ফলত ৪৯ লাখ কৃষক উপকৃত হৈছে। তেওঁ কৈছে যে চৰকাৰৰ অধীনৰ বিভিন্ন সন্থাসমূহৰ দ্বাৰা ৮ লাখ ৩৭হাজাৰ মেট্ৰিক টন দাইল আৰু তেল জাতীয় শস্য ক্ৰয় কৰা হৈছে। ইয়াৰ ফলত ৫ লাখৰো অধিক কৃষক লাভান্বিত হৈছে। টোমৰে কৈছে যে চৰকাৰে কৃষকসকলৰ আয় বৃদ্ধিৰ বাবে ভূমি স্বাস্থ্য কাৰ্ড, প্ৰধানমন্ত্ৰী কিষান সন্মান নিধি, প্ৰধানমন্ত্ৰী কৃষি সঞ্চয়ী যোজনা, ই-নেম, প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা আৰু প্ৰধানমন্ত্ৰী অন্নদাতা আই সংৰক্ষণ অভিযান আদি বিভিন্ন আঁচনি গ্ৰহণ কৰিছে।

# ভাৰত চৰকাৰৰে শান্তি আলোচনাৰ বাবে কেএলঅ প্ৰধান জীৱন সিংহ আগ্ৰহী




ৰঙিলী বাৰ্ত্তাসেৱা- বহুদিনৰ পৰা নেৰানেপেৰাকৈ লাগি থকাৰ পাছত অৱশেষত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ টুইটৰ জৰিয়তে ঐতিহাসিক স্বাধীন কমতাপুৰ গঠনৰ দাবীত সহস্ত্ৰ সংগ্ৰাম কৰি অহা জীৱন সিংহ নেতৃত্বাধীন কমতাপুৰ লিবাৰেশন অৰগেনাইজেছন (KLO)ৰ সৈতে ভাৰত চৰকাৰৰে শান্তি আলোচনালৈ এখোজ আগুৱাই অহাৰ খবৰে সমগ্ৰ কোচ ৰাজবংশী জনসাধাৰণক আনন্দিত কৰাৰ লগতে মুখ্যমন্ত্ৰীৰ টুইটক কোচ ৰাজবংশী জাতীয় পৰিষদে উষ্ম আদৰণি জনাইছে । এক প্ৰেছ বিবৃতি যোগে কেএলঅৰ সেনাধ্যক্ষ জীৱন সিংহ শান্তি

(পাঁচপৃষ্ঠাত চাওক)

# অধ্যয়নৰ উপকৰিতা

শ্ৰী মুনিন্দ্ৰ বৈশ্য, ওদালগুৰি



দুজন কিশোৰে এখন গেলামালৰ দোকানত চেলমেনৰ চাকৰি কৰিছিল। দুয়োজনেই হৈছে দুটা দৰিদ্ৰ-বিধ্বস্ত পৰিয়ালৰ দুৰ্ভগীয়া সন্তান। এজন হৈছে দৰিদ্ৰতাই কোঙা কৰা পৰিয়ালটোৰ ডাঙৰ ল'ৰা, যিয়ে এমুঠি খাদ্যৰ তাড়নাত পঢ়া-শুনাৰ বাদেও অতিৰিক্ত বোজা বহন কৰিবলগীয়া হোৱাত দোকানত 'চেলমেন' হিচাপে যোগদান কৰিছিল। আনজনৰো অৱস্থা একেই; পঢ়া-শুনাৰ খৰছ উলিয়াবলৈ তেৱোঁ ঘৰে ঘৰে চুইং গাম আৰু শীতল পানীয় বিক্ৰী কৰি ফুৰিছিল।

দোকানত কাম কৰি তেওঁলোকে দৈনিক উপাৰ্জন কৰিছিল মাত্ৰ দুই ডলাৰকৈ। কিন্তু মাত্ৰ কেইটামান বছৰৰ ভিতৰতেই তেওঁলোক হৈ পৰিল বাৰ্ষিক বিশ বিলিয়ন ডলাৰ উপাৰ্জন কৰিব পৰা একো একোজন গগণচুম্বী সফল ব্যক্তি। তেওঁলোক হৈছে আমেৰিকাৰ বিলিয়নাৰ চাৰ্লি মুংগাৰ আৰু ৱাৰেন বাফেট। বাফেট হৈছে 'বাৰ্কশ্বায়াৰ হেথৱে' নামৰ বিশ্ববিখ্যাত বহুজাতিক কোম্পানীটোৰ অধ্যক্ষ আৰু মুখ্য কাৰ্যবাহী বিষয়া, আৰু মুংগাৰ হৈছে তাৰ উপাধ্যক্ষ। এবাৰ বাফেটক সাংবাদিকে সুধিছিল- "আপোনাৰ আকাশলংঘী সফলতাৰ আঁৰৰ মন্ত্ৰ কি?" তেওঁ তপৰাই উত্তৰ দিছিল- "মই দৈনিক পঢ়োঁ। অধ্যয়নে মোক চিন্তাৰ খোৰাক দিয়ে। দৈনিক পাঁচশ পৃষ্ঠাকৈ পঢ়ক, ই চক্ৰবৃদ্ধি সুদৰ হাৰত জ্ঞান বঢ়াব। আপোনালোক সকলোৱে এইটো কৰিব পাৰে। কিন্তু মই গেৰাণ্টি দিব পাৰোঁ আপোনালোকৰ বেছি সংখ্যকেই এইটো নকৰে।" বাফেট ইমানেই অধ্যয়ন প্ৰিয় আছিল যে দিনটোৰ আশী শতাংশ সময় কেৱল পঢ়া-শুনাৰ নামতেই খৰছ কৰিছিল। পুৱা শুই উঠিয়ে তেওঁ দিনটো আৰম্ভ কৰে কেইবাখনো বাতৰি কাকত পঢ়ি। দৈনিক ছশৰ পৰা এহেজাৰ পৃষ্ঠা পঢ়াটো আছিল তেওঁৰ বাবে তেনেই সাধাৰণ কাম। অৰ্থাৎ দোকানৰ চেলমেনৰ পৰা ধন কুবেৰ হৈ সফলতাৰ শীৰ্ষত আৰোহণ কৰাৰলৈকে নিৰ্ণায়ক ভূমিকা পালন কৰিছিল কেৱল গ্ৰন্থ অধ্যয়নে। তেওঁ এই কথা স্বীকাৰ কৰি কৈছে- 'Reading has made me rich.'। বিল গেটচে প্ৰতি সপ্তাহত এখনকৈ বছৰি প্ৰায় পঞ্চাশখন কিতাপ পঢ়ে। য'লৈকেই নাযাওক কিয়, তেওঁৰ লগত এখন কিতাপ থাকিবই থাকিব। 'টেছ্‌লা মটৰছ'ৰ মুখ্য কাৰ্যবাহী বিষয়া এলেন মাস্কৰ মুঠ সম্পত্তিৰ পৰিমাণ দুশ ত্ৰিশ বিলিয়ন ডলাৰ। প্ৰথম বাণিজ্যিক ৰকেট উৎক্ষেপণ সফলতাৰে সম্পূৰ্ণ কৰি তেওঁ ইতিহাস সৃষ্টি কৰিছিল। তেওঁ ৰকেট নিৰ্মাণ কৰিলে কেনেকৈ? তাৰ উত্তৰত তেওঁ কৈছে- "I read book." কিতাপ পঢ়িয়েই তেওঁ ৰকেট বনাব শিকিছিল। তেওঁ হেনো ন বছৰ বয়সতে 'Encyclopedia Britannica' পঢ়ি শেষ কৰিছিল। দৈনিক দহ ঘণ্টাকৈ পঢ়িছিল বিজ্ঞান কল্পকাহিনী। তেওঁৰ জীৱনৰ যি অভূতপূৰ্ব সফলতা তাৰ আঁৰত বিজ্ঞানৰ এই কল্পকাহিনীবোৰৰ প্ৰভাৱ আছিল গভীৰ। সেইবাবেই তেওঁ "I was raised by books." বুলি অকপটে স্বীকাৰ কৰিছে।


কোৱা হয় যে, চিন্তাবিদ নেপোলিয়ন হিলৰ 'Think and grow rich' শীৰ্ষক বিশ্ববিখ্যাত গ্ৰন্থখনে কেইবা শতাধিক লোকক কোটিপতি হোৱাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল।

'Rich Habits; The Daily Success Habits Of Wealthy Individuals' নামৰ বহুল সমাদৃত গ্ৰন্থখনৰ ৰচয়িতা টম কৰ্লে ২৩৩ গৰাকী ধনী (যাৰ বাৰ্ষিক উপাৰ্জন ১৬০, ০০০ ডলাৰ বা তাতকৈ অধিক) আৰু ১২৮ গৰাকী দুখীয়া মানুহৰ (যাৰ বাৰ্ষিক উপাৰ্জন ৩৫, ০০০ ডলাৰ বা তাতকৈ কম) দৈনন্দিন কাম-কাজৰ বিষয়ে পাঁচ বছৰ ধৰি অধ্যয়ন কৰিছিল। অধ্যয়নৰ অন্তত তেওঁ দেখিলে যে, ৬৭ ধনী মানুহে দৈনিক এঘণ্টাতকৈও কম সময় টিভি চায়। বিপৰীতে সৰহ সংখ্যক দুখীয়া মানুহে টিভিৰ আগত বহিয়েই অধিক সময় কটায়। মাত্ৰ ৬ ধনী মানুহে তথাকথিত ৰিয়েলিটি শ্ব'সমূহ

(আঠপৃষ্ঠাত চাওক)

# মৃত্যু চিৰন্তন সত্য কিন্তু –

অঞ্জুমণি শইকীয়া, যোৰহাট



আৰু কিমান মানুহৰ দানৱৰূপী মানুহৰ হাতত মৃত্যু হ'ব ??? কাজিয়া, মাৰপিট কৰাৰ মূহুৰ্তত এবাৰো ভাবি নাচায় কিয় যে যিজনক তেওঁলোকে মাৰিছে, তেওঁও কোনোবা পৰিয়ালৰ অতি মৰমৰ । ঝংকাৰ, অভি -নীল -ৰ পৰিয়ালটোৰ বুকু উদং হোৱাৰ পিছত আজি পুনৰ আৰু এটা পৰিয়ালৰ বুকু উদং হ'ল । দুখ প্ৰকাশ কৰাৰ ভাষা নাই । এক অজান শোকে বুকুখন খুন্দা মাৰি ধৰিছে । চকুৰ পানীয়ে বাট নেদেখা হৈছো । এনেকুৱা অনুভৱ হৈছে, সেই মৃত্যু হোৱা ল'ৰাজন যেন মোৰ ল'ৰা হু দুটি পুত্ৰ সন্তানৰ মাতৃ মই । কেনেকৈ সহ্য কৰোঁ ? পুত্ৰ ঘৰৰ বাহিৰ ওলালেই ভয় হয় । মৃত্যু চিৰন্তন সত্য । কিন্তু, এনেকুৱা মৃত্যু কোনেও কামনা নকৰে ।আমাৰ জেষ্ঠ পুত্ৰৰ লগৰ ল'ৰা এজনে ফোন কৰি ক'লে (দেৰগাঁৱৰ পৰা ), " - আজি যোৰহাটৰ ট্ৰাক ষ্টেণ্ডত আমাৰ পৰিয়ালৰ ল'ৰা এটাক মানুহে মৰিয়াই মৰিয়াই মাৰি পেলালে । তাৰ সৈতে তিনিজন ল'ৰা গাড়ীত গৈছিল । সি ড্ৰাইভিং চিটত বহি আছিল । লগৰ দুটা দোকানত সোমাইছিল ।স্কুইটিত যোৱা বয়সস্থ মানুহ এজন ৰাষ্টাতে পৰা দেখি সি গাড়ীৰ পৰা নামি উঠাই দিলেগৈ ।সুৰা পান কৰি থকা মানুহজনে "মোক কিয় খুন্দিয়ালি" বুলি চিঞৰিলে । লগে লগে মানুহ গোট খালে । সি বুজাই দিয়াৰ পিছত মানুহবোৰে মীমাংসা কৰি যাবলৈ দিলে । তিনিওটা আহিবলৈ লওঁতেই

(আঠপৃষ্ঠাত চাওক)

# চিকিৎসা বিজ্ঞানঃ বিশেষ শ্ৰেণীৰ প্ৰটিনে কেন্সাৰ আৰু আলঝেইমাৰ ৰোগৰদৰৰৰ প্ৰতিশ্ৰুতি বহন কৰিছে

ড° ৰাস্না ৰাজখোৱা জামুগুৰিহাট, শোণিতপুৰ



কেইদশকমান আগতে বিজ্ঞানীসকলে, কেন্সাৰকে ধৰি স্নায়ু সম্বন্ধীয় ৰোগবোৰ সৃষ্টি কৰা এক বিশেষ শ্ৰেণীৰ প্ৰটিন চিনাক্ত কৰিছে। এই আভ্যন্তৰীণভাবে বিশৃংখলিত প্ৰটিনবোৰ (IDP-Intrinsically Disordered Protein) কোষৰ চিনাকী দৃঢ় গঠন সম্পন্ন প্ৰটিনবোৰৰ পৰা দেখাত পৃথক। আই ডি পি (IDP) বোৰ আছিল আকৃতি পৰিবৰ্তক, দেখাত অহৰহ বিন্যাস পৰিবৰ্তন ঘটাই থকা কিছুমান উপাদানৰ সংগ্ৰহ যেন লাগিছিল।এই শিথিল গঠনৰ বাবে আই ডি পি বোৰে সংকটৰ মূহুৰ্তত (যেনে- মানসিক চাপৰ সময়ত কোষৰ প্ৰতিক্ৰিয়া) বিচিত্ৰ প্ৰকাৰৰ অণু একগোট কৰিবলৈ সক্ষম হয়। শিথিল প্ৰটিনবোৰে সাধাৰণতে অধিক সীমিত সংখ্যক বন্ধন সংগী (binding partners) পাব বিচাৰে। যেতিয়া আই ডি পিয়ে সঠিকভাবে কাম নকৰে, ৰোগ তেতিয়াই আৰম্ভ হয়। তথাপিও চিকিৎসা গৱেষকসকলে সঠিকভাবে কাম নকৰা আই ডি পিবোৰক বাহিৰ কৰিবলৈ বা নিয়ন্ত্ৰিত কৰিবলৈ চিকিৎসা পদ্ধতি উদ্ভাৱন কৰিব পৰা নাছিল। বিজ্ঞানীসকলে জৈৱ পদাৰ্থ বিজ্ঞান, গাণনিক ক্ষমতা আৰু আইডি পি কাৰ্য সম্পৰ্কীয় এটা উন্নত ধাৰণাৰ সহায়ৰে এই প্ৰটিনবোৰক প্ৰতিহত কৰা যৌগবোৰ চিনাক্ত কৰিবলৈ আৰম্ভ কৰিছে। আৰু ইয়াৰে কিছুমানে বিশ্বস্ত ঔষধ হিচাবে জনাজাত হৈছে। ২০১৭ চনত ফ্ৰান্স আৰু স্পেইনৰ গৱেষক সকলে আই ডি পি এটাৰ পৰিবৰ্তনশীল অস্পষ্ট আন্তঃপৃষ্ঠ লক্ষ্য কৰি আঘাত কৰিবলৈ সক্ষম হৈছিল বুলি প্ৰকাশ কৰিছিল। তেওঁলোকে দেখুৱাইছিল যে 'ট্ৰাইফ্লুঅপেৰাযাইন' (triflu-operazine) নামৰ এফ ডি এ (FDA) অনুমোদিত ঔষধ এটাই (ইয়াক মানসিক বিকাৰ আৰু উদ্বেগজনিত ৰোগৰ চিকিৎসাত ব্যৱহাৰ কৰা হয়) এন ইউ পি আৰ 1 (NUPR1), যি এক প্ৰকাৰৰ অগ্ন্যাশয়ৰ (pancreatic) কেন্সাৰত জড়িত, ই এটা বিশৃংখল প্ৰটিনৰ সৈতে আৱদ্ধহৈ ইয়াক প্ৰতিহত কৰে। আৰোগ্যৰ ক্ষমতা থকা কেইবাহাজাৰো ঔষধৰ বৃহৎ মাত্ৰাত কৰা পৰীক্ষা-নিৰীক্ষাত প্ৰকাশ হৈছে যে কেইবাটাও প্ৰটিনে c-Myc প্ৰতিহত কৰিব পাৰে আৰু কিছুমানৰ ৰোগ চিকিৎসা সম্বন্ধীয় উন্নয়ন সাধন হৈছে। আলঝেইমাৰ (Alzheimer)-ৰ দৰে ৰোগৰ কাৰক হিচাবে চিহ্নিত 'বিটা-এমাইলয়ড' (beta-amyloid) নামৰ আই ডি পিবোৰৰ

(আঠপৃষ্ঠাত চাওক)

# সম্প্ৰীতি-সমন্বয়ৰ অসমত অনিমেষ ভূঞাৰ হত্যা আৰু অসমীয়াৰ কৰণীয়

ফখৰুদ্দিন আহমেদ

যোৰহাটলৈ বহুত বাৰ গৈছো । বিভিন্ন কামত গৈছো। যোৰহাটলৈ গৈ হেৰুৱাৰ বেদনা ইমান দিনে আছিল যশস্বী কথাশিল্পী প্ৰয়াত চৈয়দ আব্দুল মালিক চাৰক লগ কৰিব নোৱাৰা বিষয়টি। বিগত ইং ১৯৯৫ চনত যোৰহাটলৈ গৈ এদিন মালিক চাৰৰ ঘৰ ওলালোগৈ। পিছে মালিক চাৰ প্ৰায় দহ মিনিট মান পূৰ্বে গোলাঘাটৰ নাহৰনিত থকা নিজৰ ঘৰলৈ গুছি গৈছিল। তাৰ পিছত আৰু তেখেতৰ জীৱিত কালত লগ পোৱাৰ সৌভাগ্য নঘটিল। এটি দিনত মালিক চাৰ পুনৰ ঘুৰি নহা দেশলৈ গুছি গ'ল। পিছে এইবাৰ কেইদিনমান পূৰ্বে সোশৰীৰে যোৰহাটলৈ নোযোৱাকৈ এগৰাকী মানুহ হিচাপে বহুত কিবাকিবি হেৰুৱালো। তাতোকৈ ডাঙৰ কথাটি হৈছে মোৰ দৰে অসমৰ প্ৰত্যেক গৰাকী অসমীয়াই হেৰুৱালো। সেই হেৰুৱাই পেলোৱা আটাইতকৈ ডাঙৰ বিষয়টি হৈছে মানবতাবোধ। আজি কালিৰ ডিজিটেল যুগৰ চাহিদা অনুযায়ী ভাল বেয়া সকলো খবৰ চেকেণ্ডৰ ভিতৰত সমগ্ৰ পৃথিবীৰ প্ৰতিটো চুকে কোণে বিয়পি পৰাটো কোনো অসাধাৰন কথা নহয়। যোৰহাট, শিবসাগৰ, ডিব্ৰুগড় বিশেষকৈ উজনি অসমৰ মানুহৰ এটি সদনাম আছে সহিষ্ণু আৰু সদভাবাপন্ন লগতে সংস্কৃতিবান বুলি। কিন্তু অসমৰ আন আন জিলাৰ মানুহক বেয়া বুলি কোৱা নাই। এটি বিশেষ প্ৰসংগতহে বিষয়টি উত্থাপন কৰা হৈছে।উজনি অসমৰেই এখনি জিলা যোৰহাট ।তাতেই দিন দুপৰতে, তাকো এটি জনবহুল চ'কত, চহৰৰ মাজ মজিয়াত বহুত মানুহৰ সমাগমৰ মাজতেই এগৰাকী অসমীয়া তেজাল ডেকা অনিমেষ ভূঞাক মৰিয়াই মৰিয়াই মাৰিয়েই পেলালে । কি অদ্ভুত, অবিশ্বাস্য, ঘৃননীয় আৰু লজ্জাজনক কৰ্ম কাণ্ড। যোৰহাট চহৰৰ পৰা মই বহু দুৰৈত বাস কৰিলেও চ'চিয়েল মেডিয়াত অনিমেষ ভূঞাৰ হত্যা যজ্ঞ পিছে পৰে হ'লেও প্ৰত্যক্ষ কৰাৰ দুৰ্ভাগ্য ঘটিছে। কাৰন সম্প্ৰতি মানুহৰ মাজৰ পৰা মানবতাবোধ চৰম ভাবে



হেৰাই গৈছে। সেই চ'চিয়েল মেডিয়াত দেখা ভিডিঅবোৰত যিমান মানুহে হাতত ফ'ৰ জি স্মাৰ্টফোন লৈ ভিডিঅ কৰাত ব্যস্ত হোৱা দেখিছো তাৰে আধা মানুহেও যদি হাতে কামে নিৰজ দাস ওৰফে ক'লা গুণ্ডা এণ্ড কম্পেনীৰ পৰা অনিমেষ ভূঞাক ৰক্ষা কৰাৰ প্ৰচেষ্টা ল'লেহেতেন তেনেহ'লে নিশ্চয় মৰমৰ বোপা অনিমেষৰ মৃত্যু নহ'লহেতেন। এয়া এশ শতাংশই শুদ্ধ আৰু নিশ্চিত কথা আছিল। সাম্প্ৰতিক ডিজিটেল যুগ মানবতাবোধৰ ধ্বংশ যজ্ঞ ৰ যুগ বুলি প্ৰতীয়মান হৈছে।অভি-নীলৰ কাৰ্বি আংলঙৰ ডকমকাত হোৱা হত্যা যজ্ঞ ৰ সময়টো সেই হত্যাকাৰী দুৰ্বৃত্ত সকলে ভিডিঅ কৰি চ'চিয়েল মেডিয়াত মেলি দিছিল। চ'চিয়েল মেডিয়াত দুৰ্বৃত্তৰ লোমহৰ্যক দুষ্কাৰ্যৰ পোনপটীয়া সাক্ষ্য প্ৰমান থকাৰ পিছতো ন্যায় পালিকাৰ সুৰুঙাৰে মাহৰ পিছত মাহ পাৰ হৈ যোৱাৰ পিছতো দোষীক শাস্তি প্ৰদান কৰা হোৱা নাই। ভুক্ত ভোগী সকলৰ হৃদয়েহে জানে বিনা অপৰাধত হত্যাৰ বলী হোৱা জনৰ অবৰ্তমানৰ অনুভব। ইফালে নিৰজ দাস ওৰফে ক'লা গুণ্ডাৰ মৃত্যুও অসমৰ প্ৰতিজন নাগৰিকৰ বাবে অনাকাংক্ষিত হোৱা উচিত। কাৰন বাতৰিত প্ৰকাশিত হোৱা অনুসৰি সেই অনিমেষ ভূঞাৰ প্ৰধান হত্যাকাৰীজন প্ৰায় ৯০ টা মান গোচৰত অভিযুক্ত আছিল। তাতে ড্ৰাগচ সৰবৰাহ সম্পৰ্কীয় গোচৰো আছিল। পিছে অসম আৰক্ষীয়ে তেখেত সকলৰ গাড়ীত সেই দুৰ্ধৰ্ষ অপৰাধীজনক জাপ মাৰি পলাই যাব পৰা ধৰনে কিয় নিছিল সেইটোহে এতিয়া মূলত সাঁথৰ হৈ পৰিছে। এতিয়া আজিৰ দিনটোত ক'লা গুণ্ডাৰ সৈতে সেই ৯০ টা গোচৰত সাঙোৰ খাব লগা আন আন অপৰাধী সকল বাচি যাব পৰা পথ বাৰুকৈয়ে সুগম হৈ গ'ল। লগতে অনিমেষ ভূঞাৰ হত্যাকাণ্ডৰ সৈতে জড়িত আন আন অভিযুক্ত সকলৰ উচিত তথ্য পোৱাৰ ক্ষেত্ৰতো অসুবিধাৰ সৃষ্টি নিশ্চয় হ'ব। কুখ্যাত অপৰাধী নিৰজ দাস ওৰফে ক'লা গুণ্ডাৰ মৃত্যুৰ সম্পৰ্কত অসম আৰক্ষীৰ এগৰাকী উচ্চ পদস্থ বিষয়াই নিউটন

(আঠপৃষ্ঠাত চাওক)

# একবিংশ শতিকাত সভ্য বুলি দাবী কৰা মানুহৰ মাজত নৃশংসতাৰ শেষ কেতিয়া....

মানসী মিশ্ৰ



এখন হাঁহিৰে উপচি থকা মুখ। এক তেইশ বছৰীয়া দগমগ যৌৱন, এক সমুখৰ সম্ভাৱনা যাৰ নাম অনিমেশ ভূঞা । অকাল মৃত্যু হল এক প্ৰতিভাৰ, অকালতে মৰহি যাবলগীয়া হল সমুখৰ এক সম্ভাৱনা। ভাবিবও নোৱাৰি দেখোন এই একবিংশ শতিকাত নিজক সভ্য মানুহ বুলি দাবী কৰি অহা আধুনিক যুগৰ মানুহৰ মাজত এনে নৃশংসতা। পৰিয়ালৰ মুখলৈ চাব নোৱাৰি তেওঁ লোকৰ সুন্দৰ সুঠাম পুত্ৰ ৰ মৃত্যুত, তেওঁলোকৰ মনৰ বেদনা ক ভাষাৰে বুজাব নোৱাৰি । পৰোপকাৰী, নম্ৰ বিনয়ী, ঘৰৰ পৰা হাঁহি হাঁহি ওলাই যোৱা নিজ পুত্ৰ ৰ অকাল মৃত্যু ক কোন সতে মানি লয় বাৰু পিতৃ, মাতৃ আৰু পৰিয়ালৰ লোক সকল। যিটো পৰিয়ালত সংঘটিত হয় এনে ঘটনা, তেওঁ লোকেহে উপলব্ধি কৰিব পাৰে ইয়াৰ মৰ্ম বেদনা কিমান বেদনা দায়ক। অতি চিন্তনীয় ৰে সমাজত অতি ভয়াবহহাৰত বাঢ়িছে বিভিন্ন সামাজিক অপৰাধৰ ঘটনা ।প্ৰায় প্ৰতিটো দিনতেই এনে হত্যা, হিংসা, অপহৰণ লুণ্ঠন ৰ ঘটনা সংঘটিত হৈ আছে বুলি কলেও ভুল কৰা নহব। বিশেষকৈ বিগত তিনি চাৰি বছৰ ধৰি আমাৰ ৰাজ্যত অতি ভয়াবহ হাৰত দলবদ্ধ হত্যা কাণ্ড বৃদ্ধি পাইছে। যুৱ সমাজ ৰ মাজত অপৰাধ প্ৰবণতা অতি ভয়াবহ হাৰত বৃদ্ধি পোৱাটো সঁচাকৈয়ে সমাজ স্খলন আগজাননী । মাদক দ্ৰব্যৰ অবাধ ব্যৱহাৰ, ড্ৰাগছ ৰ প্ৰয়োগ, আজৰি সময়খিনি ৰ অপ প্ৰয়োগ, সহজ লভ্য ধনৰ ব্যৱহাৰ আদি ইয়াৰ অন্যতম কাৰণ হিচাপে ধৰিব পাৰি । এনেদৰে প্ৰায় প্ৰতিটো দিনতে এনে ঘটনা ঘটিয়ে আছে কিন্তু এইসমূহ সমাধান নিৰ্মূল হে কৰিব পৰা নাই । এয়া আমাৰ সমাজৰ বাবে খুবেই চিন্তনীয় হৈ পৰিছে ঘটনাটো ঘটাৰ কেইদিন মানলৈ সকলো ফালে প্ৰতিবাদ হয়। হত্যা কাৰী ৰ দৃষ্টান্তমূলক শাস্তি হ'ব লাগে, ফাৰ্ষ্ট ট্ৰেক আদালতৰ জৰিয়তে বিচাৰ হ'ব লাগে বুলি সকলোৱে প্ৰতিবাদ ৰে । কিন্তু কিছুদিন পিছতে সকলো nital মাৰে। আকৌ মানুহে লাহে লাহে পাহৰিবলৈ আৰম্ভ কৰে । সময়ত লাহে লাহে সকলো সহজ হবলৈ ধৰে । কেৱল মাথো সেই বেদনা চিৰদিনলৈ ৰৈ যায় নিজৰ পৰিয়ালটোৰ মাজত। সেইবাবে কেৱল মৌখিক প্ৰতিবাদ সাব্যস্ত কৰি সকলো সমস্যা সমাধান কৰিব নোৱাৰি । আমাৰ ৰাজ্য ৰ আইনী ব্যৱস্থা টো অতি খৰতকীয়া, ক্ষীপ্ৰ কৰিব নোৱাৰি ৰে সমস্যা সমূহৰ সমাধান কৰিব নোৱাৰি আইনী ব্যৱস্থা ত লেহেমীয়া গতিত অধিক সক্ৰিয় আৰু গতিশীল কৰিব লাগিব। উদাহৰণ স্বৰূপে বিগত বৰ্ষ সমূহত হৈ যোৱা অভি নীল ৰ বৰ্বৰ হত্যাকাণ্ড, যোৰহাটৰ টোক মানৱদৰদী চিকিৎসক ৰ হত্যা কাণ্ড ৰ তিনি চাৰি বছৰ পিছতো কোনো বিচাৰ লাভ নকৰাটো অতি পৰিতাপৰ কথা । চৰকাৰে এই বিষয়টো খুব গুৰুত্ব সহকাৰে গ্ৰহণ কৰক। কেৱল এগৰাকী জনপ্ৰতিনিধি ভুক্তভোগী পৰিয়াল টোলৈ পঠিয়াই এককালীন সাহায্য এটা প্ৰদান কৰিলে সমস্যা টোৰ সমাধান নহয় । টকাৰে মানুহৰড়জীৱনৰ মূল্য ক জুখিব নোৱাৰে । সেইহে চৰকাৰে বিষয় টো অধিক গুৰুত্বসহকাৰে গ্ৰহণ কৰক। আইনী ব্যৱস্থা ক্ষীপ্ৰ কৰি ফাৰ্ষ্ট ট্ৰেক আদালত ৰ যোগেদি বিচাৰ প্ৰক্ৰিয়া সম্পন্ন কৰক ।হত্যা কাৰী ক আইনৰ সুৰুঙাৰে সাৰি যাবলৈ নিদি দৃষ্টান্ত মূলক শাস্তি দিয়ক ।ন্যায় বিভাগ আৰু আৰক্ষী বিভাগ দুটা অধিক সক্ৰিয় আৰু গতিশীল কৰক। আজিৰ সমাজৰ পৰিবেশ ৰ লগত খাপ খুৱাই আৰক্ষী বিভাগৰ আন্ত গাঁথনি উন্নত কৰক আৰু আৰক্ষী ৰ লোকসকল ৰ বাবে উন্নত প্ৰশিক্ষণ ৰ ব্যৱস্থা কৰক। বিশেষকৈ দলবদ্ধ হত্যা ৰ বিৰুদ্ধে যুঁজিবলৈ আজিলৈকে আমাৰ মাজত এখন নিৰ্দিষ্ট আইন নাই । গতিকে এই ক্ষেত্ৰত চৰকাৰে দলকত হত্যা ৰ বিৰুদ্ধে যুঁজিবলৈ এখন নতুন আইন কঠোৰ ভাবে বলবৎ কৰি সকলো শ্ৰেণী ৰ লোকৰ মাজতে সজাগতা প্ৰদান কৰিব লাগে । চৰকাৰে কৰিব বিচাৰিলে কৰিব নোৱাৰা কাম নাই । গতিকে এই কামখিনি চৰকাৰে তাৎক্ষণিকভাৱে কৰিব লাগে। এইখন চৰকাৰৰ ওপৰত আমি আশাবাদী। আমি আশাকৰোঁ। চৰকাৰে বিষয়টো গুৰুত্ব সহকাৰে লৈ খুব সোনকালে কাৰ্য্যত পৰিণত কৰিবলৈ আগবাঢ়ক । ইয়াত আমাৰ ৰাইজৰো উৎসাহ আৰু সহযোগিতা থাকিব লাগিব। অতি কম সময়ৰ ভিতৰতে অনিমেষৰ হত্যাকাৰী ক দৃষ্টান্ত মূলক শাস্তি দিব পাৰিলে সেয়াহে হ'ব তেওঁ ৰ আত্মা ৰ প্ৰতি আমাৰ সকলোৰে প্ৰকৃত শ্ৰদ্ধাঞ্জলি ।

## চাকৰি আৰু শিক্ষানুষ্ঠানসমূহত

সবলীকৰণ সঞ্চালকালয় নামেৰে এক সুকীয়া সঞ্চালকালয় গঠন কৰা হৈছে বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰে। দিব্যাংগসকলৰ আৰ্থ-সামাজিক দিশ উন্নয়নৰ বাবে এই সঞ্চালকালয়টোৱে কাম আৰম্ভ কৰিছে বুলিও ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে। বিশেষভাৱে সক্ষম লোকসকলৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি চাকৰি আৰু অন্যান্য শিক্ষানুষ্ঠানসমূহত দিব্যাংগৰ বাবে সংৰক্ষিত আসনৰ সংখ্যা চাৰি শতাংশলৈ বৃদ্ধি কৰা হৈছে বুলিও জানিবলৈ দিয়ে মুখ্যমন্ত্ৰীগৰাকীয়ে। বিশ্ব দিব্যাংগ দিৱসত বিশেষভাৱে সক্ষম লোকসকলৰ বাবে কেইবাটাও ঘোষণা কৰি মুখ্যমন্ত্ৰীয়ে অহাবৰ্ষৰ ডিচেম্বৰ মাহৰ ভিতৰত সকলো দিব্যাংগ লোকলৈ ৰাজ্য চৰকাৰে হুইল চেয়াৰ আৰু তিনিচকীয়া ৰিক্সা প্ৰদান কৰা হ'ব বুলিও উল্লেখ কৰে। বিশ্ব দিব্যাংগ দিৱস উদযাপনে আমাৰ মানৱ সম্পদৰ এক গুৰুত্বপূৰ্ণ অংশ অধিকাৰ কৰি থকা বিশেষভাৱে সক্ষম এই ব্যক্তিসকলৰ প্ৰতি আমাৰ আন্তৰিকতা আৰু কৃতজ্ঞতা জ্ঞাপনৰ এক সুযোগ প্ৰদান কৰে। এই দিৱস উদযাপনে বিশেষভাৱে সক্ষম লোকসকলৰ প্ৰয়োজনীয়তাৰ প্ৰতি জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত যথেষ্ট সহায় কৰে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে এই অনুষ্ঠানত ভাষণ প্ৰদান কৰি কয়।

## ভাৰত চৰকাৰৰে শান্তি

আলোচনালৈ আগ্ৰহ প্ৰকাশ কৰা বাবে আৰু শান্তি আলোচনাৰ বাট প্ৰশস্ত কৰা বাবে ভাৰত চৰকাৰৰ গৃহমন্ত্ৰী অমিত শ্বাহ আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ কোচ ৰাজবংশী জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক বিশ্বজিৎ ৰায়ে ধন্যবাদ জনায় । বিশ্বজিৎ ৰায়ে আশাপ্ৰকাশ কৰে যে কেএলঅ আৰু ভাৰত চৰকাৰৰ মাজত হ'ব লগা আকাঙ্খিত শান্তি আলোচনাই ভাৰত চৰকাৰ আৰু কমতাপুৰৰ মাজত থকা ৰাজনৈতিক সংঘাটৰ অৱসান হ'ব আৰু কোচ ৰাজবংশী সকলোৰ দীৰ্ঘদিনীয়া সমস্যাৰ স্থায়ী সমাধান হ'ব । কেএলঅ আৰু ভাৰত চৰকাৰৰ মাজত হ'ব লগা শান্তি আলোচনা আগুৱাই নিয়া আৰু সকলোৰে গ্ৰহণযোগ্য সমাধান সূত্ৰ উলিয়াবলৈ চলিত ডিচেম্বৰ বা জানুৱাৰী মাহত অসম-পশ্চিম বংগৰ কোচ ৰাজবংশী জনগোষ্ঠীৰ বিভিন্ন জাতীয় সংগঠন, বুদ্ধিজীৱী, বিশিষ্ট নাগৰিক আৰু শিক্ষাবিদৰ উপস্থিতিত এখন জাতীয় অভিবৰ্তন অনুষ্ঠিত কৰিব বুলি সংবাদমেল যোগে জনায়।




# কবিতাৰ শিতান

## জোনাকী লগ্নত ভাগৰুৱা এন্ধাৰে জিৰাইছে

পুলিন ডেকা



জোনাকী লগ্নত ভাগৰুৱা এন্ধাৰে জিৰাইছে
তোমাৰ কবিতাত হেৰুওৱা দিনৰ উশাহে
শাঁত পেলোৱা ক্ষণত সময়বোৰ অকলশৰীয়া
আছিল ; অথচ গানৰ সুললিত সপোনত এতিয়াও
নিঠৰ হৈ আছে লাজুকী ছাঁ
মোৰ তন্ময়তাত বহু এন্ধাৰে জিৰাইছে
ৰণক্লান্ত ঘামত সোঁৱৰণীৰ এমুঠি উলাহৰ সমীৰণ
অবাটে যোৱা মানুহবোৰ উভতি আহিব বুলি
তলসৰা শেৱালীয়ে সপোন নেদেখা বাটত
এতিয়াও পোহৰৰ আজন্ম পথছোৱা জিলিকি উঠা নাই
দুখৰ সমভাগী হ'ব নোৱাৰা ভৰ দুপৰীয়া এটাই
পাহাৰৰ নামনিৰ ছাঁত জিৰাইছে
কাৰ ছাঁত মই বাৰু জিৰাম ?
কোলাহলৰ নিথৰ শব্দত খুৰেই নিঃসঙ্গ
ছাঁ-পোহৰৰ অলেখ ঢৌ
আৰু ভাস্কৰ্যৰ শীতলতম দৃষ্টি
প্ৰতিবাৰে কিয় বাৰু উজুতি খাওঁ উৰণীয়া
প্ৰতিধ্বনিৰ শেষ প্ৰান্তৰত, যাৰ ছাঁৰ বোকোচাত
বহু শতাব্দীৰ গৰিমা থমকি ৰৈছে সেউজ চাঁৰনিত
সাক্ষীৰ ৰূপত থকা বট বীক্ষডালে সাম্যৰ খোজত
ছাঁ বিচাৰিছে, তলসৰা পাতৰ গুঞ্জনত বহু আস্থাহীনতাৰ
বিপৰীতে গতিময় সময়েও জিৰাইছে
এন্ধাৰৰ লগ্ন বিচাৰি কাণমুণি সন্ধিয়াই জিৰাইছে
পোহৰে এৰি অহা দিনৰ অৰণ্যত।

## তোমাৰ মমতাৰ উশাহত

মাধুৰী শৰ্মা সভাপণ্ডিত



তোমাৰ মমতাৰ
প্ৰতিটো উশাহত
খৰিকাজাইৰ সুবাস।
আউল লগা কথাৰ জঁট আঁতৰাই
তুমিয়ে কৰা উমাল।
উজুটিত সৰি পৰো
অনাদৰত কৰ্ফাল খাওঁ।
তুমি সনাতন হৈ
সাবটি লোৱা মোক।
মেঘৰ শতদল তুমি
জুৰিৰ শব্দ তুমি
পল অনুপল হেঁপাহ তুমি।
তুমি নহলে নিবন্ধ আন্ধাৰ
নিৰন্তৰ শোক।
তুমি এনেকৈয়ে বাস্তৱ প্ৰত্যয় হৈ থাকা
বুকুত লৈ কাঁচিয়লি সপোন।

## নৰপশু

ময়ূৰাক্ষী গগৈ
যোৰহাট



কেতিয়া অন্ত পৰিব বাৰু
মানৱ ৰূপী নৰপিশাসৰ
এই বৰ্বৰতা ?
কেতিয়া শেষ হ'ব বাৰু
উন্মাদ দানৱৰ হাতত
নিৰীহৰ বলি ?
সৌ সিদিনা ঝংকাৰ হত্যাৰ
ঢৌ মাৰ নৌযাওতেই
অভি-নীলৰ হত্যা।
আজি আকৌ অনিমেষ হত্যা।
বৰ্বৰ দানৱে সংঘটিত কৰা
নিৰীহৰ অমানুষিক হত্যাই
আজি মানৱ জাতিক লজ্জানত
কৰিছে।
এনে নৰপিশাস বোৰ
অৰণ্যৰ পশুতকৈও অতি নৃশংস।
এই নৰপশুৰ জীয়াই থকাৰ
কোনো অধিকাৰেই নাই।

## জঁতুৰাৰ ছন্দ

নন্দেশ্বৰ মিলি

অহুকাণে-পহুকাণে শুনিলোঁ তোৰ
এটি কথা
চুচুক্-চামাককৈ লুকাইছা তুমি
মোৰপৰা।
আলেঙে আলেঙে আলেখ -লেখ
চাই
তুমি পেটকুলি বুলি জানিলোঁ মই।
পানীৰ মিঠে কিয় তুমি হ'লা
আকাশত চাং পাতিবলৈ দি তুমি
ৰং চালা।
পানীৰ তলৰ কাঁইট তই..দূৰত
থাকিম মই
অজাত-শত্ৰুৰ লগত সম্পৰ্ক
নাৰাখো মই।
এতিয়া বুজি পালোঁ অতি ভক্তি
চোৰৰ লক্ষণ
উপকাৰীক অজগৰে
খাই..আজিৰপৰা মনত ৰাখিম।
তুমি সাপ হৈ খোটা বেজ হৈ জাৰা
বগলী ভকত হৈ তুমি ঘূৰি ফুঁৰা।



## "মানব ৰূপী দানব"


হিমদ্ৰী বৰকটকী,
শিৱ নগৰ, নগাওঁ..




জীৱ শ্ৰেষ্ঠ বুলি আমাকেই নকয় জানো ?
আমিয়েই এতিয়া সেই মানব ৰূপী দানৱ
অভি নীল ঝংকাৰৰ
ঢৌ মাৰ নৌ যাওতেই
আকৌ অনিমেষৰ হত্যা
উস কি বৰ্বৰতা !
চকুৰ পচাৰতে বৰ্বৰ দানৱে কৰা অমানুষিক হত্যা
যেন সেই ঘটনাৰ আকৌ পুনৰাবৃতি !
পুত্ৰ শোকত ভাগি পৰা
মাকৰ হৃদয় কোনে বুজিব
আজি আমি নি:সহায়...
কিজানি ওলাই গলে
হিয়াৰ আমঠু আকৌ উভতি নাহে
নৰপিশাচৰ হাতত বলিয়েই হয়...
উস: ! কি হৃদয় বিদাৰক
এইখনেই অসম য'ত নাই
আমি সুৰক্ষিত ?
য'ত আছে মাথো
ৰক্ত পিপাসুৰ দল...
আমিয়েইটো মানৱৰ নামত দানৱ সভ্য সমাজৰ...
অৰণ্যৰ পশুতকৈ অধম
শেষ হৈ যাব নেকি
আমাৰ মানসিকতা ?

## মাজুলীৰ ডুখৰীয়া সপোন

মৃগাংক বৰুৱা



শীতৰ পুৱা এটিত ওলাবা বন্ধু
নিমাতীঘাটৰ পৰা
পানচৈ মেলি দিম
হেঁপাহৰ মাজুলীলৈ
সুবীয়া ঐনিতমৰ সুৰ টানিবলৈ
নিয়ৰসিক্ত শেৱালি সৰা পুৱাটোত
কঁহুৱা ডৰাই শুকুলা আঁচল আঁৰিব
সেই আঁচলৰ কাষতে সপোন এটিও জিলিকিব
সোণোৱালী ধাননিৰ
মন আকাশ ভৰাই
আশাত বন্দী হ'ব
হালৰ গৰু, নাঙল, যুঁৱলি আৰু
কেচাঁ মাটিৰ গোন্ধেৰে আমোলমোল পথাৰখনি।
তেনে এখনি
মাজুলীৰ পৰাই আনিম
যান্ত্ৰিকতাৰে ভৰা নগৰবাসীলৈ
এবুকু নিভাঁজ মৰম
ঐনিতমসুবীয়া আকুলতা
আৰু বুঢ়ালুইত সম বিশাল সৰলতা।

জনতাৰ চৰকাৰ | my GOV मेरी सरकार

# অসম লোকসেৱা অধিকাৰ
## সেৱাৰ নিশ্চিতি, জনতাৰ সবলীকৰণ

সহাঁৰি XOHARI

JANASANYOG- 2629/21

rtps.assam.gov.in



### উপলব্ধ সেৱাসমূহ
### ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ

- বিবাহ পঞ্জীয়ন
- সম্পত্তিৰ নথি-পত্ৰৰ পঞ্জীয়ন
- সম্পত্তিৰ মালিকীস্বত্বৰ পৰিৱৰ্তন
- ভূমি ৰেকৰ্ডৰ প্ৰামাণিক প্ৰতিলিপি
- নন-এনকম্ব্ৰেন্স প্ৰমাণপত্ৰ
- পঞ্জীভুক্ত বিক্ৰী দলিলৰ প্ৰামাণিক প্ৰতিলিপি
- পৰিৱৰ্তন ক্ৰমৰ প্ৰামাণিক প্ৰতিলিপি
- নিখুঁত বিভাজন
- ভূমিৰ পুনৰ শ্ৰেণী বিভাজনৰ বাবে এন অ' চি
- পুনৰ শ্ৰেণী বিভাজন তথা স্থানান্তৰৰ বাবে এন অ' চি
- স্থাৱৰ সম্পত্তি স্থানান্তৰৰ বাবে এন অ' চি

**সবিশেষ জানিবলৈ/সহায়ৰ বাবে**
**এ আৰ টি পি এছ হেল্পলাইন নম্বৰ ১৮০০-৩৪৫-৩৫৭৪ ডায়েল কৰক**

অসম লোকসেৱা অধিকাৰ আইন, ২০১২ (২০১৯ চনৰ সংশোধন অনুসৰি)

পঞ্জীয়ন কৰক : assam.mygov.in /mygovassam

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Follow us /@diprassam https://dipr.assam.gov.in/

E-mail us-
rongilibartamedhi@gmail.com

Postal Redg. No. GH- 098/ 2015 - 17

**Rongili Barta**

GUWAHATI—781025

১৮ আঘোণ, ১৪২৭ চন Rongili Barta, Date of Publication-- 5 December, 2021

# অধ্যয়নৰ উপকৰিতা

চায়, বিপৰীতে ৭৮ দুখীয়া মানুহেই সেইবোৰৰ সন্মুখত বহি সময় অপচয় কৰে। তেওঁ লগতে এই কথাও কৈছে যে, ধনী ব্যক্তিসকলে আত্ম-উন্নতি, শিক্ষা আৰু সফলতাৰ বাবে পঢ়ে। তেওঁলোকে সফল লোকৰ জীৱনী আৰু আত্মজীৱনী বোৰ পঢ়িবলৈ বাছনি কৰে। তেওঁলোক প্ৰত্যেকৰে ঘৰত এটাকৈ বৃহৎ পুথিভঁৰাল আছে আৰু কেৱল কিতাপ পঢ়িয়েই তেওঁলোকে সফলতাৰ বাটত আগুৱাই গৈছে। বিপৰীতে দুখীয়া সকলে মূলতঃ মনোৰঞ্জন ধৰ্মী গ্ৰন্থহে পঢ়ে। সেইদৰে আন এগৰাকী প্ৰখ্যাত লেখক ষ্টিভ চিবল্ডে পৃথিৱীৰ বিভিন্ন দেশৰ মুঠ বাৰশ গৰাকী ধনাঢ্য ব্যক্তিৰ সাক্ষাৎকাৰ লৈছিল। তেওঁলোকৰ বিয়াগোম সফলতাৰ আঁৰৰ ৰহস্য জানিবলৈ চেষ্টা কৰি তেওঁ যিটো কাৰণ আৱিষ্কাৰ কৰিলে সেইটো হৈছে সেই বাৰশ গৰাকী ব্যক্তিৰ প্ৰত্যেকেই আছিল অধ্যয়ন প্ৰিয়। তেওঁলোকে আত্ম-উন্নতিৰ কিতাপৰ পৰা আত্মজীৱনীলৈকে সকলোবোৰ গ্ৰন্থই পঢ়িছিল। আহিছোঁ এটা স্বাস্থ্য সম্বন্ধীয় তথ্যলৈ। অনাগত দিনত চিকিৎসা ব্যৱস্থাত বেজী-ঔষধ-ভেকচিনৰ সমানেই গুৰুত্বপূৰ্ণ হৈ পৰিব কিতাপ। কাৰণ শাৰীৰিক আৰু মানসিক সুস্বাস্থ্য অটুট ৰখাত গ্ৰন্থ অধ্যয়নে যে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে সেই বিষয়ে নতুন আৰু প্ৰতিস্থালব্ধ তথ্য গৱেষকসকলে পোহৰলৈ আনিছে। আমেৰিকাৰ স্বাস্থ্য বিভাগে ইতিমধ্যে "Reading Well, a Books on Prescription programme" শীৰ্ষক ব্যৱস্থা এটা প্ৰচলন কৰিছেই। ৰোগ নিৰাময় আৰু প্ৰতিৰোধত যে ঔষধৰ ভূমিকা একক আৰু অনন্য সেই কথা আমেৰিকাই বুজি উঠিছে আৰু সেইবাবেই ঔষধৰ উপৰিও কিতাপৰ তালিকা এখন ৰোগীক লিখি দিয়াটো নিয়ম কৰি দিছে। ইফালে বিশেষজ্ঞ আৰু গৱেষক সকলৰ আধুনিক গৱেষণাই এই কথা সজোৰে প্ৰতিষ্ঠা কৰিছে যে, কিতাপ-কাকত অধ্যয়নে মানুহৰ ৰোগ নিৰাময়ৰ ক্ষেত্ৰত বেজী-ঔষধৰ দৰে আৰু ৰোগ প্ৰতিৰোধৰ ক্ষেত্ৰত চিতা বা ভেকচিনৰ দৰে ভূমিকা পালন কৰে। সেইবাবেই New Hampsire State Library- এ ' শীৰ্ষক এটা কাৰ্যসূচী আৰম্ভ কৰিছে। অধ্যয়নে যে সুস্বাস্থ্য অটুট ৰখাত গুৰুত্বপূৰ্ণ অৰিহণা যোগায় সেই কথা জনতাক বুজাই দিয়াটোৱে তেওঁলোকৰ কাৰ্যসূচীৰ মূল উদ্দেশ্য। কাৰ্যসূচীটোৰ নেতৃত্ব প্ৰদান কৰিছে স্বাস্থ্য বিশেষজ্ঞ সকলে। তাৰ পিছতো কিতাপ-কাকত নাপঢ়িলে জানো কিবা উপায় আছে?

# মৃত্যু চিৰন্তন সত্য কিন্তু -

পিছফালৰ পৰা বহুত মানুহ আহি "বৰতাক খুন্দিয়ালে, খুৰাক পেলালে" বুলি কৈ মাৰপিট কৰিলে। পাঁচজন পুলিচে মানুহখিনিক ৰখাব নোৱাৰা দেখি দুজনে গৈ ওচৰতে থকা ট্ৰেফিক জনক সাৱটি ধৰি " আমাক বচাওক, ইহঁতি মাৰি পেলাব " বুলি কোৱাৰ পিছত পুনৰ সিহঁতক চোচৰাই আনিলে। বেছিকৈ মাৰ খোৱা ল'ৰাজনে বুকুত ধৰি যেনে তেনে গৈ পুলিচৰ গাড়ীখনৰ ওপৰত পৰি দীঘল দীঘল কৈ উশাহ লৈ থাকোঁতেই আকৌ মাৰিলে। তাৰপিছত – । আমাৰ গাঁৱত কাৰো চৌকা জ্বলা নাই। ল'ৰাটো বৰ ভাল আছিল অ'।"

ফোনটো পোৱাৰ পিছত টিভি চাবলৈ সাহস নহ'ল।

# চিকিৎসা বিজ্ঞানঃ বিশেষ শ্ৰেণীৰ

ক্ষেত্ৰত কাম কৰিবলৈ সক্ষম হোৱা কিছুমান উপৰিঞ্চি অণুকো চিনাক্ত কৰা হৈছে। এই তালিকাখন দীঘল হৈ গৈ থাকিব, বিশেষকৈ আৱৰণহীন অঙ্গাণু (organelles) নামে জনাজাত গুৰুত্বপূৰ্ণ কোষৰ অংশৰ ক্ষেত্ৰত আই ডি পিয়ে পালন কৰা ভূমিকা যেতিয়া অধিক স্পষ্ট হ'ব, ক্ষুদ্ৰ টোপাল বা ঘনীভূত কণিকা হিচাবে জনাজাত এই অঙ্গাণুবোৰে প্ৰটিন আৰু আৰ এন এ (RNA)ৰ দৰে জীৱন্ত কোষীয় অণুবোৰক আনবোৰৰ পৰা পৃথক কৰি নিৰ্দিষ্ট সময়ত ওচৰ চপাই আনে। নিকট দূৰত্বই কিছুমান বিশেষ বিক্ৰিয়া সহজে সংঘটিত হোৱাৰ সুবিধা প্ৰদান কৰে আৰু দূৰত্বই বিভিন্ন প্ৰকাৰৰ বিক্ৰিয়াক বাধা দিয়ে। বৈজ্ঞানিকসকলে নতুন আণৱিক আকৃতিৰ শক্তিশালী নিয়ন্ত্ৰক আঁহিলাৰ (molecular manipulation tools) ৰূপাংকন কৰিছে যিবোৰক 'ক'ৰলেটচ্' (Corelets) আৰু কাচড্ৰপ (CasDrop) নামেৰে জনা যায়। 'ক'ৰলেটচ আৰু কাচড্ৰপৰ সহায়ত গৱেষকে এই ক্ষুদ্ৰ টোপালবোৰ গঠন হোৱাৰ প্ৰক্ৰিয়াটো নিয়ন্ত্ৰণ কৰে। এইবোৰ আহিলাৰ সহায়ত গৱেষকসকলে জানিবলৈ সক্ষম হৈছে যে আই ডি পিবোৰ ক্ষুদ্ৰ টোপালৰ সমাৱেশ, কাৰ্য আৰু বিয়োজন নিয়ন্ত্ৰণ কৰাত সহায় কৰিব পাৰে। এই আৱিষ্কাৰটো যথেষ্ট গুৰুত্বপূৰ্ণ কাৰণ ক্ষুদ্ৰ টোপাল গঠন আৰু বিয়োজনৰ সময়ত আই ডি পিয়ে বিভিন্ন বন্ধন সহযোগীৰ (binding partners) সৈতে আন্তঃক্ৰিয়া কৰিব পাৰে আৰু কেতিয়াবা এইবোৰে কিছুসময়ৰ বাবে নতুন আকৃতি ধাৰণ কৰে, আই ডি পি অন্যান্য ভেশত থাকোতে ইহঁতক আঘাত কৰিব পৰা যৌগ বিচৰাতকৈ যিবোৰ ঔষধে এনে আকৃতিবোৰ বিচাৰি ইহঁতক আৱদ্ধ কৰিব পাৰে তেনেকুৱা ঔষধ পাবলৈ সহজ। এই ক্ষুদ্ৰ টোপাল সম্পৰ্কীয় বল বিজ্ঞানৰ ৰহস্য উদ্ঘাটন কৰিবলৈ বিশ্বৰ গৱেষকসকলে চেষ্টা কৰি আছে। চিকিৎসা উদ্যোগে আই ডি পি ৰোগ সম্পৰ্কীয় সক্ষমতাৰ ওপৰতো আশা পালি আছে। আই ডি পি ফাৰ্মা (IDP Pharma) নামৰ বায়'প্ৰযুক্তি প্ৰতিষ্ঠানটোৱে বহুমুখী 'মাইলোমা' (myeloma) আৰু ক্ষুদ্ৰ কোষীয় হাওঁফাওঁ কেন্সাৰৰ চিকিৎসাৰ বাবে এক বিশেষ প্ৰকাৰৰ প্ৰস্তুত কৰিছে। নেভলি' (NovAliX)ৰ বৰ্তমানৰ অংশীদাৰ গ্ৰেফিনিটি ফাৰ্মাচিটিকেলচ (Graffinity Pharmaceuticals) নামৰ প্ৰতিষ্ঠানটোৱে আলঝেইমাৰ ৰোগ বিদ্যাত জড়িত টাউ (tau) নামৰ বিশৃংখলিত প্ৰটিনটোক লক্ষ্য হিচাবে লোৱা কিছুমান সৰু অণু চিনাক্ত কৰিছে। কান্তাবায় 'ফাৰ্মাচিটিকেলচে (CantabioPharmaceuticals) স্নায়ু অৱক্ষয় (neurodegeneration) প্ৰক্ৰিয়াত আই ডি পি-ক সুস্থিৰতা প্ৰদান কৰিবলৈ কিছুমান ক্ষুদ্ৰতৰ অণুৰ সন্ধান কৰি আছে। আকৌ এটা নতুন প্ৰতিষ্ঠান ডিউপইন্ট থেৰাপিউটিকছে (Dewpoint Therapeutics) ক্ষুদ্ৰ টোপাল আৰু সিহঁতৰ বিশৃংখল উপাদানবোৰক সিহঁতে অণুবোৰক বৰ্দ্ধিত বিক্ৰিয়াৰ অনুকূলে যি ধৰণে ওচৰ চপাই আনে তালৈ চাই এইবোৰক ঔষধৰ লক্ষ্য হিচাবে বিবেচনা কৰিব পাৰি নেকি তাৰ অধ্যয়ন কৰি আছে। অহা তিনিৰ পৰা পাঁচ বছৰৰ ভিতৰত এই এসময়ৰ 'ঔষধ অসমৰ্থ' (undruggable) প্ৰটিনবোৰ ঔষধীয় বিকাশৰ লক্ষ্য বিন্দুত পৰিণত হ'ব- এই সম্ভৱনা খুবেই তীব্ৰ।

# সম্প্ৰীতি-সমন্বয়ৰ অসমত অনিমেষ ভূঞাৰ

সূত্ৰৰ উপস্থাপনেৰে চ'চিয়েল মেডিয়াত কৰা মন্তব্যই সচেতন নাগৰিক সকলৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা দিশটো লক্ষ্যনীয় হৈ পৰিছে। সমূহ নাগৰিকৰ যিহেতু ভাৰতীয় ন্যায়িক প্ৰক্ৰিয়াৰ ওপৰত আস্থা আছে সেয়ে এইব্যৱস্থাৰ মাজেৰে খৰতকীয়া ভাবে অপৰাধীৰ শাস্তি হোৱাটোহে গ্ৰহনযোগ্য। প্ৰনিধান যোগ্য কথাটো হৈছে যিধৰনেৰেই অপৰাধীৰ মৃত্যু আদালতৰ কাঠগড়াত উঠাৰ পুৰ্বে যদি হয় তেনেহ'লে তদন্ত প্ৰক্ৰিয়া আৰু ন্যায়িক ব্যৱস্থাৰ ঔচিত্য স্থবিৰ হৈ পৰা বিষয়টি স্বাভাৱিক কথা। সেয়ে তদন্তকালিন সময়ত কোনো অপৰাধীয়ে যাতে অসম আৰক্ষীৰ আবেষ্টনিৰ মাজৰ পৰা পুনৰ পলাই যাবলৈ অপচেষ্টা কৰিব নোৱাৰে তাৰ নিশ্চয়তা গ্ৰহনৰ ব্যৱস্থা পূৰ্ণ মাত্ৰাই ল'ব লাগিব। অসমৰ সমাজ জীৱনত সাম্প্ৰতিক সময়ত সাম্প্ৰদায়িকতাবাদী ৰাজনীতিৰ অন্তৰ্ভুক্তিৰ বাবেও এনে সামাজিক ভাবে হোৱা ম'ব লিঞ্চিঙৰ দৰে ঘটনা ঘটিবলৈ আৰম্ভ কৰিছে। এনে ধৰনৰ দুৰ্ভাগ্যজনক ঘটনা সম্প্ৰীতি আৰু সমন্বয়ৰ ৰম্যভুমি অসমৰ জনজীৱনৰ বাবে বাৰুকৈয়ে অনাকাংক্ষিত। তথাকথিত সমাজ সচেতন ব্যক্তি, ধৰ্মৰক্ষক তথা ৰাজনৈতিক নেতা সকল ইয়াৰ বাবে প্ৰধানকৈ জগৰীয়া। বিগত কিছু বছৰ ধৰি কিছুমান ব্যক্তি, সামাজিক সংগঠন তথা কিছুমান ৰাজনৈতিক নেতাই মুকলি মুৰীয়া ভাবে ধৰ্মীয় ৰাজনীতি অৰ্থাৎ হিন্দু-মুছলমানৰ মাজত বিযাক্ত মনোভাব সুমুওৱাই দি নিজৰ নিজৰ অস্তিত্ব জাহিৰ কৰিবলৈ অকণো কুণ্ঠাবোধ নকৰা দৃষ্টিগোচৰ হৈ আছে। উদাহৰন স্বৰূপে নিজকে হিন্দু সনাতনী ধৰ্মৰ ৰক্ষকৰ ভুমিকাত অবতীৰ্ণ কৰি থকা সত্যৰঞ্জন বৰাই মুখ মেলিলেই ইছলাম ধৰ্ম, কোৰান আৰু হজৰত মহম্মদ ছ্বৰ বিষয়ে কটু আৰু অসহনীয় বক্তব্য প্ৰকাশ হয়, হোজাইৰ প্ৰাক্তন বিধায়ক শীলাদিত্য দেৱে অসম তথা ভাৰতত সংঘটিত প্ৰতিটো দুষ্কাৰ্যৰ আঁৰত ইছলামিক মৌলবাদীৰ প্ৰভাবহে দেখে, অসম তথা ভাৰতৰ বহুতো ৰাজনৈতিক নেতাই নিজকে হিন্দুত্ববাদৰহে একমাত্ৰ পৃষ্ঠপোষক বুলি ভাবে আৰু ৰাজহুৱা জীৱনটো প্ৰকাশ আৰু প্ৰচাৰ কৰে, আমছুৰ দৰে সংগঠনে অসমত কেৱল মুছলমানৰ আৰু হিন্দু যুব মঞ্চই কেৱল হিন্দু ধৰ্মীৰ হে চিন্তা চৰ্চা কৰে, তেনে এখন দেশ তথা ৰাজ্যৰ জনসাধাৰনৰ মনত সামাজিক তথা ধৰ্মীয় সহনশীলতা আৰু মানৱতাবোধৰ ওপৰত নেতিবাচক প্ৰভাব পৰাটো অস্বাভাবিক বিষয় নহয়। বিশ্বৰ আন আন প্ৰান্তত সভ্যতাৰ পোহৰ নপৰা কালতে ভাৰতীয় সিন্ধু সভ্যতাই পূৰ্ণতা পাইছিল। অসমীয়া জাতিৰ খনিকৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱে তেখেতৰ অংকীয়া নাটত প্ৰয়োগ কৰা গদ্যশৈলী বিশ্ব সাহিত্যৰ আটাইতকৈ পুৰনা গদ্যশৈলীৰ সৈতে সমসাময়িক বুলি ইতিমধ্যে বিশ্ব সাহিত্যত প্ৰতিষ্ঠিত হৈছে, অসমীয়া জাতিৰ স্বাভিমানে কোন কাহানিবাই বিশ্বত স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে, অসমীয়া জাতিৰ বুকুৰ এভাগ অসম সাহিত্য সভাই অসমীয়া ভাষাক বিশ্ব সাহিত্যৰ দৰবাৰত বৰ আসনত বহুৱাবলৈ সক্ষম হৈছে; সেইখন অসমত তাতে যোৰহাটৰ দৰে সংস্কৃতিবান চহৰৰ মাজমজিয়াত বিশ্ব কপোৱা আন্দোলন কৰি নিজৰ স্বাভিমান অক্ষুন্ন ৰাখিবলৈ যত্নৰ ত্ৰুটি নকৰা সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদকৰ পদবীত অধিষ্ঠিত হৈ থকা অনিমেষ ভূঞাৰ দৰে তেজাল যুৱকৰ গণ প্ৰহাৰত মৃত্যু হোৱা ঘটনা অসম আৰু অসমীয়াৰ বাবে চৰম দুৰ্ভাগ্যজনকেইনহয় লজ্জা জনক হিচাপেও ইতিহাসত লিপিবদ্ধ হৈ থাকিব। এনে ধৰনৰ চৰম বেদনাদায়ক আৰু দুৰ্ভাগ্যজনক দুৰ্ঘটনাৰ পৰা ৰক্ষা পৰিবলৈ সমগ্ৰ অসমৰ অসমবাসী জনসাধাৰন হিন্দু, মুছলমান, খ্ৰীষ্টান ধৰ্মী আদি, বি জে পি, কংগ্ৰেছ, অ গ প, এ আই ইউ ডি এফ, ধৰ্ম ৰক্ষক আদি হ'বলৈ শিকাৰ পুৰ্বে পূৰ্ণতাপ্ৰাপ্ত অসমীয়া মানুহ হ'বলৈ শিকিব লাগিব। তেতিয়াহে আমি অসমবাসীয়ে সম্প্ৰীতি-সমন্বয়, উন্নয়নমুখী আৰু ঐক্যবদ্ধ সোনৰ অসম লাভ কৰিব পাৰিম আৰু অনিমেষ ভূঞাৰ হত্যাৰ দৰে দ্বিতীয়টি মৰ্মান্তিক ঘটনা পুনৰ নঘটিব।

ৰঙিলী বাৰ্ত্তা কৰ্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-২৫ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286

প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ স্বগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ

Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286